ৰাষ্ট্ৰ নহয়। ই পেট্ৰোলৰ ওপৰত নিৰ্ভৰশীল দেশ যদিও ইয়াত কৃষিৰ প্ৰতি গুৰুত্ব নিদিয়া নহয়। ১৯৭০ চনৰ আগলৈকে যিখন দেশে খাদ্য সামগ্ৰী আমদানী কৰিব লগীয়া হৈছিল সেই খন দেখে এতিয়া কৃষিজাত সামগ্ৰী ৰপ্তানী কৰিব পৰা হৈছে। ১৯৭৮ চনৰ পৰা ১৯৮৪ চনৰ ভিতৰত দেশে লাগতীয়াল ঘেহু উৎপন্ন কৰিব পৰা হৈছে। বৰ্ত্তমানে তেওঁলোকে বিশ্বৰ ৩০ খন দেশলৈ ঘেহু ৰপ্তানি কৰি আছে। চীন আৰু ৰাছিয়াই তেওঁলোকৰ পৰা ঘেহু আমদানী কৰে।

উন্নত কৃষি পদ্ধতি আৰু চহৰসমূহ লৈ কঢ়িয়াই নিয়াৰ বা উন্নত পথ নিৰ্মান কৰি ছৌদি আৰবে ফল-মূল আৰু শাক-পাচলি উৎপাদন কৰাৰ বাবে যাৱতীয়া ব্যৱস্থা কৰিছে। তেওঁলোকৰ চুবৰীয়া ৰাষ্ট্ৰ সমূহলৈ তেওঁলোকৰ উৎপাদিত ফল-মূল তথা শাক-পাচলি ৰপ্তানি কৰি আছে। ছৌদি আৰবে উদ্যান শশ্যৰ প্ৰতি আগৰে পৰাই গুৰুত্ব দি আহিছে। তৰমুজ, আঙুৰ, কাজু বাদাম, পিয়াজ, বিলাহী বেঙেনা, আনাৰস, ক'ল, আম আৰু মধুৰীআম যথেষ্ট পৰিমাণে উৎপাদন কৰি ছৌদি আৰবে নিজে ব্যৱহাৰ কৰাৰ উপৰিও চুবৰীয়া ৰাষ্ট্ৰসমূহলৈ ৰপ্তানি কৰে।

জলফাই গছ ছৌদি আৰবৰ মাটিত যথেষ্ট পৰিমাণে হয়। আধুনিক জলফাইৰ পুলি উৎপাদন কৰাৰ বাবে ২০১৮ চনত ছৌদি আৰবৰ আল জৌফ কৃষি উন্নয়ন সংস্থাই (Al-Jouf Agricultural Development Company) য়ে বিশ্ব গিনিচ বুকৰ পৰা শ্ৰেষ্ঠত্বৰ সন্মান লাভ কৰিছে। ছৌদি আৰবৰ ৭৭৩০ হেক্টৰ কৃষিভূমিত ৫ মিলিয়ন জলফাইৰ খেতি আছে যি গিনিচ বুকত স্থান পাবলৈ সংক্ষম হৈছে।

কৃষিজাত সামগ্ৰীৰ উৎপাদন বৃদ্ধিৰ বাবে ছৌদি আৰব চৰকাৰে পৰ্যাপ্ত পৰিমাণৰ জলসিংঞ্চন ব্যৱস্থা কৰিছে। সাগৰৰ অতিৰিক্ত পানী সংঞ্চয় কৰি কৃষি ভূমিত ব্যৱহাৰ কৰাটো ছৌদি আৰবৰ কৃতিত্ব বুলি বহুতে মন্তব্য আগবঢ়াইছে। সাগৰৰ পানী বা বৰষুণৰ পানীয়ে যাতে খেতি পথাৰ নষ্ট কৰিব নোৱাৰে তাৰ বাবে ছৌদি চৰকাৰে যথোচিত

ব্যৱস্থা গ্ৰহণ কৰিছে। এই ক্ষেত্ৰ তেওঁলোক দেশৰ ভিতৰতেই গঢ় লৈ উঠা কোম্পানীসমূহক গুৰুত্ব প্ৰদান কৰিছে।

**ছৌদি আৰবৰ পৰ্য্যটন বিভাগ (Department of Tourism of Saudi Arabia)ঃ**

ছৌদি আৰবৰ পৰ্য্যটন বিভাগ সিমান টনকিয়াল নহয় যদিও একেবাৰে দুৰ্ব্বলও নহয়। সমগ্ৰ বিশ্বৰ পৰা পৰ্য্যটক ছৌদি আৰবলৈ আহে। ছৌদি আৰবৰ পৰ্য্যটক সকল মূলতঃ ধৰ্মীয় মূলৰ। মক্কা, মদিনা আৰু আন আন ইছলাম ধৰ্মীয় উৎস সমূহ থকাৰ বাবে গোটেই বিশ্বৰ মুছলমান সকলে হজ্জ, উমৰাহ কৰিবলৈ ছৌদি আৰবলৈ অহা দেখা যায়। ধৰ্মৰ নামত ছৌদি আৰবলৈ যিমান মানুহ আহে সিমান সংখ্যক মানুহ পৃথিৱীৰ আন কোনো দেশলৈ নাহে বা নাযায়। বিশ্ব ব্যাংকৰ প্ৰতিবেদন মতে ২০১২ চনত ১৪.৩ মিলিয়ন মানুহ ছৌদি আৰবলৈ আহিছিল যি সমগ্ৰ বিশ্বৰ ভিতৰত ১৯তম স্থান দখল কৰিছে। যিহেতু পৰ্য্যটন বিভাগৰ পৰা এটা মোটা অংকৰ ধন ছৌদি চৰকাৰে লাভ কৰে গতিকে ছৌদি চৰকাৰে ইয়াক আৰু অধিক তৰান্বিত কৰাৰ ব্যৱস্থা কৰিছে। ২০১৮ চনত বি,এম, আই (BMI)ৰ এটা গৱেষণাত দেখা গৈছে ২০৩০ চনৰ ভিতৰত পৰ্য্যটন ক্ষেত্ৰত ছৌদি আৰবে প্ৰথম স্থান লাভ কৰিবলৈ সক্ষম হ'ব।

পৰ্য্যটন দিশত ছৌদি চৰকাৰে নতুন নতুন সা-সুবিধা আগবঢ়াই আছে। আন্তৰ্জাতিক পৰ্য্যটকসকলে যাতে কোনো ধৰণৰ অসুবিধাৰ সন্মুখীন নহয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰি আছে। অনতিপলমে তেঁলোকে Electronic Visa ৰ ব্যৱস্থা গ্ৰহণ কৰিব যাতে সমগ্ৰ বিশ্বৰ পৰা পৰ্য্যটকসকল আহি ছৌদি আৰব সহজে ভ্ৰমণ কৰিব পাৰে।

**ছৌদি আৰবৰ কলা আৰু মনোৰঞ্জন (Arts and Entertainment of Saudi Arabia)ঃ**

ছৌদি আৰবৰ কলা আৰু মনোৰঞ্জন অতি আমোদজনক

কাৰণ ই উত্থান পতনেৰে ভৰা। ১৯৭০ চনৰ আগলৈ ছৌদি আৰবত যথেষ্ট সংখ্যক ছিনামা হল আছিল। কিন্তু ওৱহাবীসকলে ইয়াৰ সদায় বিৰোধিতা কৰি আহিছিল। ১৯৭৯ চনত ওৱহাবী সমৰ্থকসকলে গণ প্ৰতিবাদৰ বাবে চৰকাৰে সকলো ছিনামাগৃহ বন্ধ কৰিবলৈ বাধ্য হৈছিল। ২০০৫ চনত ৰজা আব্দুল্লাহই কিছুমান ছিনেমা গৃহক পুনৰ খুলিবলৈ অনুমতি প্ৰদান কৰিছে। KAUST ছিনামা গৃহ ছৌদি আৰবৰ অন্যতম এটা মনোৰঞ্জনৰ উৎস।

১৮শ শতিকাৰ পৰাই ওৱহাবী ইছলামিক সংগঠনসমূহে ছৌদি আৰবত সকলো ধৰণৰ ছায়াছবি বা বোলছবিৰ বিৰোধিতা কৰি আহিছে। যাৰ ফলত আমোদ-প্ৰমোদ চুন্নিসকলৰ জীৱনৰ পৰা দিনক দিনে আতৰি গৈছিল। কিন্তু বিংশ শতিকাত পেট্ৰোল উৎপন্ন হোৱাৰ পৰা ইয়াৰ প্ৰতিচ্ছবি সলনি হৈ পৰিছে। বিশেষকৈ বাহিৰা ব্যৱসায়ী সকলৰ সঘোন আহ-যাই ইয়াক বিশেষভাৱে প্ৰতিফলন ঘটাইছে। ইয়াৰ ফলস্বৰূপে পশ্চিমীয়া সভ্যতাই ছৌদি আৰবত প্ৰভাৱ বিস্তাৰ কৰি আছে।

ছৌদি আৰবত প্ৰাক-ইছলামী যুগৰ পৰাই গীত আৰু নৃত্যই প্ৰভাৱ পেলাইছিল। তেওঁলোকৰ গীত-মাত সদায় আৰবী কবিতা বা পদ্যৰ লগত জৰিত। গীতাৰ, দোতাৰা, ঢোল, তাম্বৰিণ, হাৰ্মনিয়াম আদি ছৌদি আৰবত অতিকৈ জনপ্ৰীয়। আৰদাহ (এক ধৰণৰ গীতি নৃত্য যি পুৰুষ সকলে তৰোৱাল আৰু খোল লৈ ঢোলৰ ছেৱে ছেৱে নাচে) ছৌদি আৰবৰ থলুৱা নৃত্য। নাৱাতী (বেছঈন কবিতা) আজিও ছৌদি আৰবত জনপ্ৰীয়তাৰ শীৰ্ষত।

কবিতা ৰচনা কৰি পাঠ কৰা আৰবীসকলৰ সিৰাই সিৰাই অৱস্থান কৰে। কবিতাৰ ওপৰিও চুটি গল্প, উপন্যাস, নাটক, শিশু সাহিত্য বা সাহিত্যৰ আন আন ভাগসমূহ ছৌদি সামাজিক জীৱনৰ অবিচ্ছেদ্য অংশ। ছৌদি আৰবে জন্ম দিয়া বিখ্যাত সাহিত্যিক সকলৰ ভিতৰত

গাজী আল-ছোছাইবি, আব্দুৰ ৰহমান মুনিফ তুৰ্কি আল-হামিদ, ৰজা আল-ছানিয়া বিশ্ববিখ্যাত। ২০১৬ চনত সাধাৰণ মনোৰঞ্জন প্ৰাধিকৰণ (General Entertainment Authority) গঠন কৰি ছৌদি আৰবৰ কলা আৰু মনোৰঞ্জনক আগবঢ়াই নিবলৈ যথেষ্ট গুৰুত্ব আৰোপ কৰিছে। সাধাৰণ মনোৰঞ্জন প্ৰাধিকৰণে অতি কম সময়ৰ ভিতৰতে হাস্য ৰসাত্মক শ্ব' আৰু পেচাযুক্ত মল্লযুদ্ধক সফলভাৱে আগবঢ়াই নিয়াত সক্ষম হৈছে। ৩৫ বছৰ বন্ধৰ পিছত ২০১৮ চনত প্ৰথম ৰাজহুৱা ছিনেমা গৃহ আৰম্ভ কৰিছে। ২০৩০ চনৰ ভিতৰত ছিনেমা গৃহৰ সংখ্যা ২০০০ লৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

## ছৌদি আৰবৰ ক্ৰীড়া (Sport of Saudi Arabia)ঃ

কলা আৰু মনোৰঞ্জনৰ দিশত ছৌদি আৰব যদিও অলপ পিছ পৰা কিন্তু ক্ৰীড়াৰ ক্ষেত্ৰত তেওঁলোক যথেষ্ট আগবঢ়া। ছৌদি চৰকাৰে ক্ৰীড়া বিভাগত সদায় গুৰুত্ব দি আহিছে। ফুটবল ছৌদি আৰবৰ জাতীয় খেল। ছৌদি আৰবৰ ফুটবল দলক এছিয়া মহাদেশৰ আটাইতকৈ সফল ফুটবল দল হিচাবে বিবেচনা কৰা হয়। এছিয়া কাপ ফুটবলত তেওঁলোকে ৬ বাৰকৈ চূড়ান্ত খেল খেলাৰ কৃতিত্ব অৰ্জন কৰিছে আৰু তিনিবাৰকৈ তেওঁলোকে চূড়ান্ত বিজয়ীৰ খিতাপ লাভ কৰিছে। ১৯৯৪ চনত অভিষেক ঘটাই তেওঁলোকে একেৰাহে চাৰি বাৰকৈ ফুটবল বিশ্বকাপ খেলৰ কৃতিত্ব অৰ্জন কৰিছে। মাজে সময়ে বিশ্ব ফুটবলত ছৌদি আৰবে বিভিন্ন ধৰণৰ চমক সৃষ্টি কৰিছে যদিও বিশ্ব খিতাপ লাভ কৰিব পৰা নাই।

সাতোৰ, পাল তৰা আৰু বাছকেট বল খেলত ছৌদি আৰব যথেষ্ট আগবঢ়া। ১৯৯৯ চনত ছৌদি আৰবৰ বাছকেট বল দলে এছিয়ান চেম্পিয়নশ্বীপত তৃতীয় শ্ৰেষ্ঠ দল হিচাবে ব্ৰোঞ্জৰ বটাঁ লাভ কৰিবলৈ সক্ষম হৈছিল। ঘোঁৰা-দৌৰ প্ৰতিযোগিতা, উট-দৌৰ প্ৰতিযোগীতা ছৌদি

আৰবত অতিকৈ জনপ্ৰীয়। শেন চৰাইক প্ৰশিক্ষণ দি চিকাৰ কৰা কাৰ্য্য আজিও ছৌদি আৰবত নীতিগত আৰু অতিকৈ সমাদৃত।

মহিলাৰ ক্ৰীড়া ছৌদি আৰবত সদায় বিতৰ্কৰ এটা বিষয়। ইছলামিক সংগঠন সমূহে ক্ৰীড়াত মহিলাসকলৰ অংশ গ্ৰহণ কোনোপধ্বেই মানি ল'ব বিচৰা নাই। যোৱা কেইটা বছৰত মহিলা ক্ৰীড়াত যথেষ্ট শীথিলতা দেখিবলৈ পোৱা যায়। ২০১৮ চনৰ আগলৈকে ছৌদি মহিলাসকলক ক্ৰীড়া গৃহ সমূহত প্ৰৱেশৰ অনুমতি দিয়া হোৱা নাছিল বৰ্ত্তমানে তাত থকা তিনিটা ক্ৰীড়া গৃহত মহিলাসকলক অনুমতি প্ৰদান কৰা হৈছে আৰু ছৌদি আৰবত মহিলা সকলৰ বাবে Major league Soccer (MLS), World Wresting Entertaintment (WWE), আৰু National Basket Ball Association মুকলি কৰি দিয়া হৈছে।

২০১৯ চনৰ অক্টোবৰ মাহত WWE ৰ অধীনত ছৌদি আৰবত মহিলা মল্লযুদ্ধ খেল অনুষ্ঠিত হৈ যায়। এই প্ৰতিযোগিতাৰ সময়ত খেলুৱৈ সকলক নিজৰ বাহু ঢাকি ৰাখিবলৈ নিৰ্দ্দেশ দিয়া হৈছিল। বৰ্ত্তমানে ছৌদি আৰব যদিও ১০ বছৰৰ বাবে WWE ৰ লগত চুক্তিবদ্ধ হৈছে তথাপিও ২০১৮ চনত অনুষ্ঠিত হৈ যোৱা WWE প্ৰতিযোগিতাত জন ছেনা, কেবিন ওৱেনছ আৰু ভেনাইল ব্ৰাইনে ছৌদি আৰবলৈ যোৱাত অমান্তি হৈছিল। ২০২০ চনৰ জানুৱাৰী মাহত তাৰকা মল্লযুদ্ধা সকলে ছৌদি আৰবত যোৱাৰ পৰা বিৰত আছে কাৰণ কাছেম ছোলেমানীৰ হত্যাৰ পিছৰ পৰা মধ্য-প্ৰাচ্যৰ ৰাষ্ট্ৰসমূহত অস্থিৰতাই বিৰাজ কৰি আছে।

## সামৰণীঃ

ছৌদি আৰব বিশ্বৰ ভিতৰত এটা উল্লেখযোগ্য দেশ য'ত শান্তি-সমৃদ্ধিয়ে মাজে সময়েই বিনষ্ট হোৱা দেখা যায়। মানৱ অধিকাৰসমূহ সুৰক্ষিত নোহোৱাৰ ফলত ছৌদি আৰব চৰকাৰে বিভিন্ন সময়ত সমস্যাৰ সন্মুখীন হৈ আছে। ই এটা যুৱ দেশ। ইয়াৰ অৰ্থনৈতিক ভৱিষ্যৎ সুদৃঢ়

যদি ছৌদি আৰবে ইয়াৰ ন্যায় ব্যৱস্থা, সামৰিক ব্যৱস্থা, মানৱ অধিকাৰ, প্ৰাণীকুল, কৃষি ব্যৱস্থা, পৰ্য্যটন ব্যৱস্থা, কলা বা মনোৰঞ্জন ব্যৱস্থা আৰু খেল-ধেমালি আদিৰ দিশত আৰু অধিক গুৰুত্ব প্ৰদাণ কৰে তেন্তে অদূৰ ভৱিষ্যতত ই এটা সমৃদ্ধিশালী ৰাষ্ট্ৰ হিচাবে পৰিগণিত হ'ব।